**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-12-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ে বিমান সংস্থা ইণ্ডিগোৰ মুখ্য কাৰ্যবাহী বিষয়া পিটাৰ এলবাৰ্ছ আৰু দায়িত্ববাহী বিষয়া আইছিদ্ৰ' প'ৰকাৰাছক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে।

২। লোকসভাত কাইলৈ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া জয়ন্তী সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হ'ব।

৩। উত্তৰ গোৱাৰ আৰপ'ৰাৰ এটা নাইট ক্লাবত যোৱা নিশা চিলিণ্ডাৰ বিস্ফোৰণত ২৫ গৰাকী লোকৰ মৃত্যু হয়।

৪। ছীফ অৱ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে সশসত্ৰ বাহিনীৰ পতাকা দিৱস উপলক্ষে আজি সেনা বাহিনীৰ প্ৰতিগৰাকী জোৱানলৈ শুভেচ্ছা জনাইছে। ***আৰু***

৫। আন্তৰ্জাতিক ফুটবল সংস্থা-ফিফাই অহা বছৰ হ'বলগীয়া বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ সম্পূৰ্ণসূচী মুকলি কৰিছে।

০০০০

অসামৰিক বিমান পৰিবহন সঞ্চালকালয় - ডি জি চি এই দেশজুৰি বিমান বাতিলকৰণক লৈ হোৱা বিশৃংখল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিমান সংস্থা ইণ্ডিগোৰ মুখ্য কাৰ্যবাহী বিষয়া পিটাৰ এলবাৰ্ছ আৰু দায়িত্ববাহী বিষয়া আইছিদ্ৰ' প'ৰকাৰাছক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। তেওঁলোকক সমগ্ৰ পৰিস্থিতি তথা যাত্ৰীৰ অসুবিধাৰ সন্দৰ্ভত ২৪ ঘণ্টাৰ ভিতৰত কাৰণ দৰ্শাবলৈ নিৰ্দেশ দিয়া হৈছে। নিতৌ বিমান বাতিল হৈ থকাৰ পৰিপ্ৰেক্ষিতত দেশৰ বিভিন্ন বিমান বন্দৰত যাত্ৰীৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। জাননীখনত কোৱা হৈছে যে, বিমান সেৱাৰ বৃহৎ ব্যৰ্থতাই সুপৰিকল্পনা, দূৰদৰ্শিতা আৰু সামগ্ৰিক ব্যৱস্থাপনাৰ অভাৱকে নিৰ্দেশ কৰিছে। অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰামমোহন নাইডুৱে সমগ্ৰ পৰিস্থিতিৰ পৰ্যবেক্ষনৰ উদ্দেশ্যে ইণ্ডিগোৰ মুখ্য কাৰ্যবাহী বিষয়া পিটাৰ এলবাৰ্ছৰ সৈতে বৈঠকত মিলিত হয়। এই বৈঠকত মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াবৰ্গও উপস্থিত থাকে। ইণ্ডিগোৰ বিমান সেৱা পঞ্চম দিনাৰ বাবেও স্বাভাৱিক নোহোৱাত যাত্ৰীসকল এতিয়াও বিমান বন্দৰতে আৱদ্ধ হৈ থাকিবলগীয়া হৈছে। কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত কঠোৰ স্থিতি গ্ৰহণ কৰিছে আৰু অতি সোনকালে যাত্ৰীসকলক বিমানৰ টিকটৰ মূল্য ঘূৰাই দিবলৈ বিমান সংস্থাটোক নিৰ্দেশ দিছে। এই প্ৰক্ৰিয়া আজি নিশা ৮ বজাৰ ভিতৰতে সম্পূৰ্ণ কৰিব লাগিব বিমান সংস্থাটোৱে। লগতে পলম নকৰাকৈ নিয়মীয়া বিমানসেৱা আৰম্ভ কৰিবলৈও ইণ্ডিগোক কেন্দ্ৰই নিৰ্দেশ দিছে। বেচৰকাৰী বিমান সংস্থাটোৱে কালিও ৮০০ খন বিমানৰ উৰণ বাতিল কৰে।

০০০০

লোকসভাত কাইলৈ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া জয়ন্তী সন্দৰ্ভত বিশেষ আলোচনা আৰম্ভ হ'ব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদনত এই বিষয়ৰ আলোচনা

অনুষ্ঠিত কৰিব। যোৱা সপ্তাহত এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কৈছিল যে বন্দে মাতৰমৰ আলোচনা দুপৰীয়া ১২ বজাৰ পৰা অনুষ্ঠিত হব। তেওঁ প্ৰকাশ কৰিছিল যে লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ অধ্যক্ষতাত অনুষ্ঠিত সৰ্বদলীয় সভাত ৮ ডিচেম্বৰত বন্দে মাতৰমৰ আলোচনা আৰু ৯ ডিচেম্বৰত নিৰ্বাচনী সংস্কাৰ বিতৰ্কৰ সিদ্ধান্ত লোৱা হৈছিল।

০০০০

উত্তৰ গোৱাৰ আৰপ'ৰাৰ এটা নাইট ক্লাবত যোৱা নিশা চিলিণ্ডাৰ বিস্ফোৰণত ২৫ গৰাকী লোকৰ মৃত্যু হয়। এই ঘটনাৰ পিছতে মুখ্যমন্ত্ৰী প্ৰমোদ সাৱন্ত ঘটনাস্থলীত উপস্থিত হয়। তেওঁ কয় যে মৃত্যু হোৱা সকলৰ বেছিভাগেই হৈছে ক্লাবটোৰ ৰন্ধনকৰ্মী। ঘটনাত ৩ - ৪ জন পৰ্যটকৰো মৃত্যু হোৱা বুলি শ্ৰীসাৱন্তে প্ৰকাশ কৰে। সংবাদ মাধ্যমত মুখ্যমন্ত্ৰীগৰাকীয়ে কোৱা অনুসৰি ২৩ গৰাকী লোকৰ অগ্নিদগ্ধ হৈ মৃত্যু হয় আৰু আন কেইজনৰ শ্বাস প্ৰশ্বাসত অসুবিধা পাই মৃত্যু হয়। গোৱাৰ আৰক্ষী সঞ্চালক প্ৰধান আলোক কুমাৰে প্ৰকাশ কৰা অনুসৰি আৰক্ষী বাহিনী, অগ্নিনিৰ্বাপক বাহিনী আৰু এম্বুলেন্স খবৰ পোৱাৰ পিছতে ঘটনাস্থলীলৈ ৰাওনা হয়। সকলো মৃতদেহ উদ্ধাৰ হোৱা বুলি তেওঁ জানিবলৈ দিছে। আৰক্ষী সঞ্চালক প্ৰধানে জনোৱা মতে, আৰক্ষীয়ে ঘটনাৰ অনুসন্ধান আৰম্ভ কৰিছে।

০০০০

গোৱাত এটা নাইট ক্লাবত চিলিণ্ডাৰ বিস্ফোৰণ হৈ ২৫ গৰাকী লোকৰ মৃত্যু হোৱা ঘটনাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনায় আৰু এই জটিল সময় অতিক্ৰম কৰিবলৈ পৰিয়ালকেইটাই যাতে শক্তি পাই তাৰ বাবে প্ৰাৰ্থনা জনায়। তেওঁ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোৱাৰ ঘটনাক অত্যন্ত কৰুণ হিচাপে বৰ্ননা কৰিছে। সামাজিক মাধ্যমত প্ৰধানমন্ত্ৰীয়ে আপোনজনক হেৰুওৱা পৰিয়ালসমূহক সমবেদনা জ্ঞাপন কৰে। শ্ৰীমোদীয়ে আহতসকল অতি সোনকালে আৰোগ্য হৈ উঠিব বুলি আশা কৰে। প্ৰধানমন্ত্ৰীয়ে পৰিস্থিতি সন্দৰ্ভত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ প্ৰমোদ সাৱন্তৰ সৈতে কথা পাতে আৰু কয় যে ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত সম্ভৱপৰ সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। শ্ৰীমোদীয়ে লগতে মৃত্যু হোৱাসকলৰ নিকট আত্মীয়ক ২ লাখ টকাকৈ আৰু আহতসকলৰ প্ৰত্যেককে ৫০ হাজাৰ টকাকৈ ৰাষ্ট্ৰীয় সাহায্য পুজিৰ পৰা এককালীন সাহায্য দিয়াৰ কথা ঘোষণা কৰে।

০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনেও গোৱাৰ আৰপ'ৰাত সংঘটিত ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণনে কয় যে এই কৰুণ ঘটনাত মৃত্যু হোৱাসকলৰ প্ৰতি তেওঁ গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ লগতে আহতসকলৰ আৰোগ্য কামনা কৰে।

০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই গোৱাৰ ঘটনাত শোক প্ৰকাশ কৰিছে। গৃহমন্ত্ৰী শ্বাহে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে স্থানীয় প্ৰশাসনে উদ্ধাৰ আৰু সাহায্য অভিযান ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই ঘটনাত মৃত্যু হোৱাৰ সকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰে। স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই গোৱাৰ ঘটনাত শোক প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

০০০০

সেনা বাহিনীৰ মুৰববী জেনেৰেল অনিল চৌহানে আজি সশস্ত্ৰ বাহিনীৰ পতাকা দিৱস উপলক্ষে ভাৰতীয় সেনা বাহিনীৰ প্ৰতিগৰাকী জোৱানলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীচৌহানে সেনা বাহিনীৰ জোৱানসকলৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰতি সমৰ্পিত সেৱা, অদম্য মনোভাৱ আৰু প্ৰতিৰক্ষা প্ৰতিশ্ৰুতিৰ শলাগ লয়। তেওঁ লগতে সেনাৰ তিনিওটা বাহিনী স্থলসেনা, নৌসেনা আৰু বায়ুসেনা বাহিনীৰ জোৱানসকলৰ বীৰত্ব, দেশৰ সুৰক্ষাৰ প্ৰতি থকা প্ৰতিশ্ৰুতি আৰু দেশৰ বাবে আগবঢ়োৱা সৰ্বোচ্চ ত্যাগক সন্মান জনায়।

০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে সশস্ত্ৰ বাহিনীৰ পতাকা দিৱস উপলক্ষে তেওঁৰ এমাহৰ দৰমহা পতাকা দিৱস পুঁজিলৈ অৰ্পণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে দেশৰ সেনা, শ্বহীদ আৰু সেনা বাহিনী পৰিয়ালৰ লোকসকললৈ কৃতজ্ঞতা প্ৰকাশ কৰি পতাকা দিৱস পুঁজিলৈ বৰঙণি আগবঢ়াবলৈ দেশৰাসীক আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সশস্ত্ৰ বাহিনীৰ পতাকা দিৱস উপলক্ষে অদম্য সাহসেৰে দেশৰ সুৰক্ষাত নিয়োজিত সেনা জোৱানসকলৰ প্ৰতি দেশৰাসী কৃতজ্ঞ বুলি প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে সেনা জোৱানসকলৰ অনুশাসন, মাতৃভূমিৰ প্ৰতি থকা দায়িত্ব, সংকল্প আৰু অদম্য মনোভাৱে জনসাধাৰণক সুৰক্ষিত কৰি ৰখাৰ লগতে দেশক শক্তিশালী কৰি তুলিছে। ৰাষ্ট্ৰৰ প্ৰতি জোৱানসকলৰ সমৰ্পনক কৰ্তব্য, অনুশাসন আৰু নিষ্ঠাৰ উল্লেখযোগ্য উদাহৰণ বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰাৰ লগতে পতাকা দিৱস পুঁজিলৈ অৰিহণা আগবঢ়াবলৈ দেশৰাসীক আহ্বান জনায়।

০০০০

সীমান্ত সুৰক্ষা বাহিনীয়ে ভাৰত পাকিস্তান সীমান্তত এলানি ক্ষীপ্ৰ আৰু পৰিকল্পিত অভিযান চলাই কালি পাঞ্জাৱত ৩ খন পাকিস্তানী ড্ৰ'ন ধবংস কৰিবলৈ সক্ষম হয়। সীমান্ত সুৰক্ষা বাহিনীৰ পাঞ্জাৱ শাখাই এটা প্ৰেছ বিজ্ঞপ্তিত প্ৰকাশ কৰা অনুসৰি এই অভিযান কালত দুপেকেট হেৰোইন জব্দ কৰা হৈছে। বাহিনীটোৱে  ফিৰোজপুৰৰ ছনকাট্ৰা গাঁৱত কালি চলোৱা এটা অভিযানত ১ কেজি ওজনৰ এটা হেৰোইনৰ পেটেক জব্দ কৰাৰ লগতে পোচ্চাৰিয়ান গাঁৱত এখন ড্ৰ'নো লাভ কৰে। কালি চলোৱা আন এটা অভিযানত অমৃতসৰৰ ৰোৱানৱালা কলন গাঁৱৰ আন এখন ড্ৰ'ন জব্দ কৰিবলৈ সক্ষম হয়।

০০০০

নিৰ্বাচন আয়োগে আৰম্ভ কৰা ভোটাৰ তালিকাৰ দ্বিতীয় পৰ্যায়ৰ বিশেষ পুংখানুপুংখ সংশোধনৰ কাম-কাজ ক্ষীপ্ৰগতিত চলি আছে। এই সংশোধন অভিযানৰ অধীনত দেশৰ বিভিন্ন ৰাজ্যৰ লগতে মধ্য প্ৰদেশতো ভোটদাতাসকলৰ মাজত প্ৰ-পত্ৰ বিতৰণ কৰা হৈছে। ৰাজ্যখনৰ ১২ খন জিলাত প্ৰ-পত্ৰৰ ডিজিটালাইছ প্ৰক্ৰিয়া ইতিমধ্যে সম্পূৰ্ণ হৈছে। দমো জিলাৰ আয়ুক্ত সুধীৰ কোচাৰে প্ৰকাশ কৰা মতে জিলাখনত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ কাম ইতিমধ্যে সমাপ্ত হৈছে।

সংশোধনী প্ৰক্ৰিয়াত জনসাধাৰণৰ যোগদানক উৎসাহ যোগাই ৰাজ্যখনৰ জনপ্ৰিয় অভিনেতা আশীষ পেণ্ডছে কয়, যে তেওঁ ইতিমধ্যে নিজৰ ভোটাৰ প্ৰ-পত্ৰ দাখিল কৰিছে। তেওঁ লগতে সকলোকে ভোটাৰ প্ৰ-পত্ৰ দাখিল কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে, বিশ্ব দিব্যাংগ দিৱস উপলক্ষে ৰাজ্যখনত এটা বিশেষ ভিডিঅ'ৰে জনসাধাৰণক সংশোধন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। এই সংশোধনী প্ৰক্ৰিয়াত সাধাৰণ লোকৰ লগতে বিশেষভাৱে সক্ষম লোকসকলৰো যোগদান সুনিশ্চিত কৰাই হৈছে পদক্ষেপটোৰ মূল উদ্দেশ্যে।

০০০০

আন্তৰ্জাতিক ফুটবল সংস্থা-ফিফাই অহা বছৰ হ'বলগীয়া বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ সম্পূৰ্ণসূচী মুকলি কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু মেক্সিকোত হ'বলগীয়া এইবাৰৰ প্ৰতিযোগিতাত ৪৮ টা

দলে অংশগ্ৰহণ কৰিব। যোৱাবাৰৰ বিজয়ী আৰ্জেণ্টিনাই ১৬ জুনত আলজেৰিয়াৰ বিৰুদ্ধে নিজৰ প্ৰথমখন খেল খেলিব।

সূচী নিৰ্ধাৰণৰ বাবে ৱাছিংটনৰ কেনেডী চেণ্টাৰত অনুষ্ঠিত বিশেষ অনুষ্ঠানত তুষাৰপাত সত্বেও নেতাসকল সমবেত হয়। এই অনুষ্ঠানতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ফিফাই নতুনকৈ প্ৰৱৰ্তন কৰা শান্তি বঁটা গ্ৰহণ কৰে। এই অনুষ্ঠানত ৰাষ্ট্ৰপতি ট্ৰাম্পৰ উপৰি মেক্সিকোৰ ৰাষ্ট্ৰপতি ক্ল'দিয়া শ্বেইনবাম আৰু কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নি উপস্থিত থাকে। সূচী অনুসৰি অহাবাৰৰ বিশ্বকাপ ফুটবল ফাইনেল খেলখন ১৯ জুলাইত নিউ জাৰ্ছিৰ মেটলাইফ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। আমেৰিকা যুক্তৰাষ্ট্ৰত ৭৮ খন খেল অনুষ্ঠিত হোৱাৰ বিপৰীতে কানাডা আৰু মেক্সিকোত ১৩ খনকৈ খেল খেলোৱা হ'ব।

০০০০

সমাপ্ত